# অসম বিধান সভা

## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## শুক্ৰবাৰ, ৮ চেপ্তেম্বৰ, ২০১৭

**গড়কাপ্তানি (পথ, গৃহ, ৰাষ্ট্ৰীয় ঘাইপথসমূহ) মীন, আবকাৰী, জলসিঞ্চন, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম (খাদী আৰু গ্ৰাম্য উদ্যোগ বাদ দি)।**

---

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

*বিষয় ঃ* ঘাইপথ সম্প্ৰসাৰণ

শ্ৰীমতী অজন্তা নেওগ ঃ

২০১। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৪ চনৰ পিচত ৰাজ্যখনত ঘাইপথসমূহ সম্প্ৰসাৰণ হৈছে নেকি?

(খ) যদি হৈছে, কিমান কিলোমিটাৰ হৈছে?

(নামসহ বিতং তথ্য দিব)

(গ) ইয়াৰ গেজেট ন'টিফিকেশ্যন হৈছে নেকি? যদি হৈছে, কেতিয়া হৈছে?

(বিতং তথ্য দিব)

(ঘ) ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত ২০১৪ চনৰ পিচত নতুন দলঙৰ অনুমোদন হৈছে নেকি?

(ঙ) যদি হৈছে, কেইখন হৈছে?

(অনুমোদন পত্ৰসহ বিতং তথ্য দিব)

(চ) মাজুলী-কমলাবাৰী সংযোগী দলঙৰ আৰু ধুবুৰী-ফুলবাৰী দলঙৰ অনুমোদন হৈছে নেকি?

*বিষয় ঃ* অধীক্ষক অভিযন্তা কাৰ্য্যালয় নিৰ্মাণ

শ্ৰীৰমাকান্ত দেউৰী ঃ

২০২। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৯ চনতে মৰিগাঁও জিলা ঘোষণা হোৱাৰ ২৯ বছৰ পিচটো আজিৰ তাৰিখলৈকে অধীক্ষক অভিযন্তা কাৰ্য্যালয়টো মৰিগাঁৱত স্থাপন হোৱা নাই, চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, উক্ত কাৰ্য্যালয়টোৰ স্থায়ী গৃহ নিৰ্মাণৰ বাবে চৰকাৰে কি ব্যৱস্থা আৰু কেতিয়া গ্ৰহণ কৰিব জনাবনে?

*বিষয় ঃ* **এৰী কেন্দ্ৰ কাৰ্য্যক্ষম**

শ্ৰীভবেশ কলিতা ঃ

২০৩। মাননীয় বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰঙিয়া সমষ্টিত অৱস্থিত গুৰমৌত থকা এৰী সমাহ কেন্দ্ৰটো বৰ্তমান কাৰ্য্যক্ষম হৈ আছেনে?

(খ) উক্ত সমাহ কেন্দ্ৰটো পুনৰ কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা কৰিবনে?

*বিষয় ঃ* **পথ নিৰ্মাণ**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

২০৪। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নাজিৰা সমষ্টিৰ ফকৰুদ্দিন আলি আহমেদ পথ আৰু কুশল কোঁৱৰ পকী পথ আঁচনিৰ কামসমূহ ঠিকাদাৰে লেহেমিয়া গতিৰে কৰি থকাৰ বিষয়ে অৱগতনে?

(খ) যদি অৱগত, তেনেহ'লে এই কামসমূহ খৰতকীয়া কৰিবলৈ ব্যৱস্থা লৈছেনে?

(গ) নামতি চাৰিআলিৰ পৰা সোনাৰিলৈকে পুনৰ নিৰ্মাণ হৈ থকা ধোদৰআলিৰ কাম নিবিদা অনুসৰি ঠিকাদাৰে কোন বছৰৰ কোন মাহত সম্পূৰ্ণ কৰা কথা আছিল?

(ঘ) এই কাম ঠিকাদাৰে সময়মতে সম্পূৰ্ণ কৰিলেনে? যদি কৰা নাই, কেতিয়া কৰিব? কামবিলাক বিলম্ব কৰি ৰাইজক কষ্ট দিয়াৰ বাবে ঠিকাদাৰৰ ওপৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঙ) বৰ্তমান বানত কিমান বাট পথ আৰু দলং ক্ষতিগ্ৰস্ত হ'ল?

(মহকুমা অনুসৰি তালিকা দিব)

(চ) এইসমূহ পুনৰ নিৰ্মাণ আৰু মেৰামতি কৰি যোগাযোগৰ বাবে উপযুক্ত কেতিয়া কৰিব?

(ছ) কিমান পুঁজি ইয়াৰ বাবে চৰকাৰে যোগান ধৰিছে আৰু কোন শিতানৰ পৰা এই ব্যয় কৰা হ'ব উল্লেখ কৰিবনে?

*Sub.* : **P. W. D. IB**

Shri ABDUR RAHIM AJMAL :

205. Will the Minister of P. W. D. be pleased to state :

(a) Whether any proposal has been taken for construction of RCC Inspection Bunglow at Doboka and Murajhar ?

(b) Whether any fund is allotted for immediate repairing of Inspection Bunglow at Doboka and Murajhar ?

*বিষয় ঃ* **ৰে'লৱে অ'ভাৰব্ৰীজ**

শ্ৰীৰবিৰাম নাৰ্জাৰী ঃ

২০৬। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম ৰে'ল জংচনৰ লাইনৰ ওপৰেদি যোৱা ৩১ (চ) ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৩১ নং দক্ষিণ ট্ৰাংকৰোডৰ ৰাষ্ট্ৰীয় ঘাইপথ দুটাক সংযোগ কৰা বিলাসীপাৰাৰ বেলতলী (সেৰফাংগুৰী) ৰাজ্যিক ঘাইপথৰ যোগাযোগৰ সুবিধাৰ কাৰণে ফকিৰাগ্ৰামত এটা Railway Over Bridge বনোৱাৰ বাবে বিভাগে পদক্ষেপ ল'বনে?

(খ) যদি লোৱা হয়, কেতিয়াৰ পৰা জৰীপৰ কাম আৰম্ভ কৰা হ'ব?

*বিষয় ঃ* **আবকাৰী শুল্ক**

শ্ৰীমামুন ইমদাদুল হক চৌধুৰী ঃ

২০৭। মাননীয় আবকাৰী শুল্ক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এই বিত্তীয় বৰ্ষত চৰকাৰে মুঠ কিমান টকা আবকাৰী শুল্ক ৰূপত এতিয়ালৈকে আদায় কৰিছে?

(খ) আবকাৰী শুল্ক আদায় দিব লগা সামগ্ৰীৰ ভিতৰত কি কি সামগ্ৰী উপলব্ধ হয়?

(গ) কি কি সামগ্ৰীৰ পৰা এতিয়ালৈকে কিমানকৈ ৰাজহ সংগ্ৰহ কৰা হৈছে?

(ভাগে ভাগে জনাব)

*বিষয় ঃ* **হাজো-বৰপেটা গড়কাপ্তানি পথ**

শ্ৰীমতী নন্দিতা দাস ঃ

২০৮। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Asian Development Bank ৰ অৰ্থ সাহায্যত ২০১৩ চনতে হাজো-বৰপেটা ৰাজ্যিক গড়কাপ্তানি পথটোৰ মেৰামতি, সুদৃঢ়কৰণ, বহলোৱাৰ কাম M/S BLA/SGCCL নামৰ কোম্পানী এটাক দায়িত্ব দিয়া হৈছিলনে?

(খ) বৰ্তমানেও প্ৰায় ৪ বছৰ পাৰ হৈ যোৱাৰ পিচতো হাজো-বৰপেটা পথটোৰ মাজৰ কিছু অংশৰ বাদে এতিয়াও বৃহৎ অংশৰ কাম হোৱা নাই? ইয়াৰ কাৰণ কি কি?

(গ) তিনিখন জিলাক সংযুক্ত কৰা এই পথটিৰ প্ৰয়োজনীয়তা গুৰুত্ব সহকাৰে উপলব্ধি কৰি এই পথছোৱাৰ কাম কৰিবনে?

(ঘ) যদি কৰে, কেতিয়া কৰিব?

*বিষয় ঃ* **পুঁজি নিৰ্ধাৰণ সম্পৰ্কে**

শ্ৰীঅশ্বিনী ৰায় সৰকাৰ ঃ

২০৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬-১৭ আৰু ২০১৭-১৮ বিত্তীয় বৰ্ষত জলসিঞ্চনৰ বাবে মুঠ কিমান টকা চৰকাৰে ধাৰ্য্য কৰিছে আৰু ইয়াৰ কিমান টকা গোটেই অসমত আবণ্টন দিছে?

(খ) বিভিন্ন শিতানত কোন জিলাত কিমান টকা আবণ্টন দিছে?

(গ) ধুবুৰী জিলাৰ অধীনত থকা কোন বিধান সভা সমষ্টিত কিমান টকাকৈ অনুদান দিছে?

*বিষয় ঃ* **বানপানীত ক্ষয়-ক্ষতি**

শ্ৰীআমিনুল ইছলাম ঃ

২১০। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও জিলাৰ মৈৰাবাৰী মৌজাৰ অন্তৰ্গত কোন কোন গাঁৱত চলিত বছৰৰ বানপানীৰ ফলত মীন পালকসকল ক্ষতিগ্ৰস্ত হৈছে?

(মীন পালকসকলৰ নাম, ফিচাৰীৰ মাটিকালিৰ পৰিমাণ আৰু ক্ষতিৰ পৰিমাণসহ তালিকা দিব)

(খ) বানপানীৰ ফলত ক্ষতিগ্ৰস্ত মীন পালকসকলক চৰকাৰে ক্ষতিপূৰণ দিবনে? যদি দিয়ে, কেতিয়া দিব?

(মীন পালকসকলৰ তালিকাখনত প্ৰাপ্য ক্ষতিপূৰণৰ পৰিমাণ উল্লেখ কৰিব)

(গ) গৰিয়াবৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত দুৰাবান্ধি গাঁৱৰ মোবাৰক হুছেইন নামৰ

হিতাধিকাৰীজনে বিগত ৬ বছৰত মীন বিভাগৰ কি কি আঁচনিৰ বিপৰীতে কিমান টকাকৈ লাভ কৰিছে? তেওঁক বাদ দি ধিং সমষ্টিৰ আৰু কোন কোন হিতাধিকাৰীয়ে বিগত ৬ বছৰত কি কি আঁচনিৰ বিপৰীতে কিমান টকাকৈ লাভ কৰিছে?

*Sub. :* **Re-survey of Road L 108 under Mandia Block (PMGSY).**

Shri SHERMAN ALI AHMED :

211. Will the Minister of P.W.D. be pleased to state :

(a) Is it true that, the road "L108-Satrakanara Bazar to Satrakanara Satra" for a length of 1 km. was included in CN through rectification of the CN ?

(b) Is it also true that, the said road was surveyed only for a part of the total length i.e for a length of 0.685 km. due to flood water and the DPR was also prepared for the said partially surveyed length (i.e 0.685) ?

(c) Is it true that, Commissioner & Secretary, PWRD & Addl. Chief Engineer, PWRD (PMGSY) were apprised by me vide letter nos. 45/D-6(i)/2016-17/11 dtd. 14-03-2017 & 45/D-6(i)/2016-17/ACE dtd. 24/06/2017 respectively about the above facts and they were further requested for re-survey of the road and for preparation of a fresh DPR covering the entire length to connect the target habitation ?

(d) If answer to the above questions are yes, whether the said road has been re-surveyed and a fresh DPR prepared accordingly ? If not, why ?

*বিষয় ঃ* **বড়মপুৰ সমষ্টিৰ অন্তৰ্গত পথ নিৰ্মাণ**

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ

২১২। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ বড়মপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত নিম্নলিখিত পথৰ পুনৰ নিৰ্মাণ/মেৰামতিৰ কামসমূহ শীঘ্ৰে সমাধান কৰি যাতায়াত ব্যৱস্থা সুগম কৰিবৰ বাবে চৰকাৰে বিহিত ব্যৱস্থা ল'বনে? যদি লয়, কেতিয়া ল'ব?

(খ) টাউন মাজৰ আটিৰ পৰা ইংলিছপটি পথ।

(গ) কলঙৰ উত্তৰ পাৰে মাজৰ আটিৰ পৰা জনজাতীয় গাঁও নাওগাঁও হৈ ৰূপহীৰ পথলৈকে।

(ঘ) কলঙৰ উত্তৰপাৰে ডিফলুৰ পৰা পুৰণিগুদাম পাৰঘাট পথলৈ।

(ঙ) তেতেলীসৰা তেলিয়া আটি পথ (কামপুৰ)।

(চ) নগাঁও হয়বৰ গাঁৱৰ পৰা (লাওখোৱা ৰূপহী পথ) কলঙৰ উত্তৰ পাৰে ডিফলু হৈ ৰূপহীলৈ।

(ছ) (NH-৩৬ৰ) ৰেংবেঙৰ পৰা কঠিয়ালতলী ঝুমুৰ মূৰ পথ।

(জ) ৰাঙলু বিশ্ব বেংক পথ।

(ঝ) নিজ কঠিয়াতলীৰ মমতাজ মল্লৰীৰ ঘৰৰ পৰা হাইস্কুল সংযোগী পথ।

(ঞ) ভেৰভেৰী চলচলী মুছলমান গাঁও হৈ চলচলীৰ শিৱ মন্দিৰলৈকে।

(ট) তেতেলীসৰাৰ স্বৰ্গীয় হলধৰ ভূঞাৰ মূৰ্তিৰ ওচৰৰ পৰা নলসা গাড়লৈকে।

(ঠ) নিপাতী, হাৰিয়া নদীৰ ওপৰত পলশাত (Polasa) Concrete Bridge বনোৱাৰ ব্যৱস্থা ল'বনে?

*বিষয় ঃ* **বজালী মহকুমাধিপতিৰ কাৰ্য্যালয়ৰ ওচৰত থকা নিৰ্মাণৰত Fly Over সম্পৰ্কে।**

শ্ৰীআবুল কালাম আজাদ ঃ

২১৩। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বজালী মহকুমাধিপতিৰ কাৰ্য্যালয়ৰ ওচৰত থকা নিৰ্মাণৰত Railway Crossing Fly Over ৰ কাম চলি থকাটো চৰকাৰৰ অৱগতনে?

(খ) যদি অৱগত, Fly Over ৰ কাম কিয় সমাপ্ত হোৱা নাই জনাবনে?

(গ) চৰকাৰ আৰু বিভাগীয় ঠিকাদাৰৰ অমনোযোগিতাৰ বাবে Fly Over ৰ কাম নিম্নগতিত চলি আছে নেকি?

(ঘ) কিমান দিনৰ ভিতৰত এই Fly Over ৰ কাম সমাপ্ত হ'ব জনাবনে?

*বিষয় ঃ* **পথ আৰু দলং নিৰ্মাণ**

শ্ৰীউৎপল দত্ত ঃ

২১৪। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৫-১৬ বিত্তীয় বৰ্ষলৈ ৰাজ্যত পকী কৰিবলৈ বাকী থকা দলঙৰ সংখ্যা আৰু পকী কৰিবলৈ বাকী থকা পথৰ মুঠ দৈৰ্ঘ্য কিমান?

(জিলা অনুসৰি তথ্য দিব)

(খ) ২০১৫-১৬ বিত্তীয় বৰ্ষৰ পৰা ২০১৭-১৮ বিত্তীয় বৰ্ষৰ ৩১ জুলাই পৰ্য্যন্ত কিমান দলং আৰু পথ পকীকৰণ কৰা হ'ল?

(দলঙৰ সংখ্যা, পথৰ দৈৰ্ঘ্য অনুসৰি জিলা ভিত্তিত তথ্য দিব)

(গ) ২০১৭-১৮ বিত্তীয় বৰ্ষত কিমানখন পকী দলং আৰু কিমান কিলোমিটাৰ পথ পকীকৰণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে?

(জিলা অনুসৰি তথ্য দিব)

(ঘ) প্ৰধান মন্ত্ৰী গ্ৰামচড়ক যোজনাৰ অধীনৰ পথসমূহ জৰাজীৰ্ণ হৈ পৰাৰ বিষয়ে চৰকাৰ অৱগতনে?

(ঙ) যদি অৱগত, এই পথসমূহ মেৰামতিৰ লক্ষ্য লোৱা হৈছে নেকি আৰু কোন জিলাত কোনকেইটা পথ মেৰামতি কৰিব?

(চ) শিলৰ অভাৱত কোন কেইখন জিলাত পথ-দলং নিৰ্মাণৰ কাম বাধাগ্ৰস্ত হৈছে আৰু শিলৰ নাটনি হোৱাৰ কাৰণসমূহ কি কি?

(ছ) বন বিভাগৰ বাবে শিলৰ নাটনি হৈছে নেকি? যদি হৈছে, তেন্তে বিভাগে বন বিভাগৰ লগত নাটনি দূৰ কৰি সমস্যা সমাধানৰ বাবে বিভাগীয় কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(বিভাগীয় যোগাযোগৰ পত্ৰৰ প্ৰতিলিপি দাখিল কৰিব)

(জ) বৰ্তমানে শিলৰ নাটনি দূৰ হ'লনে? যদি দূৰ হ'ল, তেন্তে ক'ৰ পৰা কেনেদৰে কিমান দামত শিল সংগ্ৰহ কৰা হ'ল?

*বিষয় ঃ* **পথ মেৰামতিৰ বাবে ধন আবণ্টন**

শ্ৰীমহেশ্বৰ বড়ো ঃ

২১৫। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ গড়কাপ্তানি বিভাগৰ গ্ৰাম্য পথ আৰু ৰাজ্যিক পথসমূহৰ মেৰামতিৰ বাবে সমষ্টি ভিত্তিত ৫ কোটিকৈ যি টকা ধাৰ্য্য

কৰিছিল আৰু সেইমৰ্মে মেৰামতি কৰিব লগা পথসমূহ বিভাগীয়ভাৱে দাখিল কৰা হৈছিল যদিও কিছু সংখ্যক সমষ্টিৰ বাবে উক্ত ধাৰ্য্য কৰা ধন আবণ্টন দিয়া হ'ল, কথাটো সঁচানে?

(খ) এইটো কথা সঁচানে, কলাইগাঁও সমষ্টিৰ লগতে কিছুসংখ্যক সমষ্টি উক্ত ধাৰ্য্য কৰা ধন আবণ্টন পোৱাৰ পৰা বঞ্চিত হৈ থাকিল?

(গ) যদি সঁচা, ইয়াৰ কাৰণ জনাবনে?

*Sub. :* **PMGSY Roads**

Shri SIBU MISRA :

216. Will the Minister of P.W.D. be pleased to state :

(a) How many roads under PMGSY Scheme have been taken up during the year 2016-17 & 2017-18 in 92 No. Lumding LAC ?

(b) How many PMGSY roads have been called for tendering ?

(c) The names of roads with Habitation of each roads which got tendered ?

(d) How many roads under PMGSY scheme got retendered and what are the names ?

(e) How many roads are under process for tendering in PMGSY Scheme in Lumding LAC ?

*বিষয় ঃ* **Incomplete Road**

শ্ৰীদূৰ্গা ভূমিজ ঃ

২১৭। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শদিয়া সমষ্টিৰ ধলা তিৰুৱাল পথাৰ গাঁৱৰ পথটি "ফকৰুদ্দিন আলী আহমেদ" পথ পকীকৰণ আঁচনিৰে ১.০৮৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ বাবে যোৱা ০১-১২-২০১৫ তাৰিখে শদিয়াৰ বিধায়ক শ্ৰীযুত বলিন চেতিয়াৰ দ্বাৰা আধাৰশিলা স্থাপন কৰা হৈছিলনে?

(খ) উক্ত পথছোৱা আজিলৈকে আধৰুৱা হৈ আছে আৰু বাৰিষা সময়ত মাজে মাজে খলা-বমা হোৱা হেতুকে ৰাইজৰ অহা-যোৱা কৰাত বহু অসুবিধাৰ সন্মুখীন হোৱা কথাটো চৰকাৰ জ্ঞাতনে?

(গ) কি ৰহস্যত আজিলৈকে ৰাস্তাটো আধৰুৱা হৈ আছে?

(ঘ) উক্ত ৰাস্তাটো কেতিয়া আৰু কিমান দিনৰ ভিতৰত সম্পূৰ্ণ হ'ব?

(তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

*বিষয় ঃ* **চুলাই মদৰ অবৈধ ব্যৱসায়**

শ্ৰীসুৰেন ফুকন ঃ

২১৮। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ গ্ৰামাঞ্চলসমূহত বৰ্তমান ভয়াৱহ ৰূপত বাঢ়ি অহা অবৈধ চুলাই মদৰ প্ৰচলন আৰু ব্যৱসায়ে সামাজিক পৰিৱেশ বিনষ্ট কৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, প্ৰচলিত আবকাৰী আইন সংশোধন কৰি অবৈধ মদৰ ব্যৱসায়ীসকলৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **মৎস্য উন্নয়ন আৰু বিভাগীয় পদ পূৰণ**

শ্ৰীচাহাব উদ্দিন আহমেদ ঃ

২১৯। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মীন আইন ৰূপায়ণৰ বাবে মীন বিভাগে ২০১৬-১৭ বৰ্ষত প্ৰতিখন জিলাৰ বিপৰীতে কিমান টকা আবণ্টন ও খৰচ কৰিলে লগতে ২০১৭-১৮ বৰ্ষত কিমান টকা ধাৰ্য্য কৰা হৈছে?

(খ) অসমত মাছমৰীয়াসকলক মুক্ত জলাশয়ত মাছমৰা নিষিদ্ধ সময়ছোৱাত সংস্থাপন আৰু সাহাৰ্য্যৰ বাবে মীন বিভাগে কি কি আঁচনি ধাৰ্য্য কৰিছে, জনাবনে?

(গ) অসমত মীন আইন ৰূপায়ণৰ বাবে প্ৰতিখন জিলাৰ বিপৰীতে চৰকাৰে চলিত বৰ্ষত চৰকাৰে কিমানখন নাও আৰু গাড়ী যোগান ধৰিলে, জনাবনে?

(ঘ) ৰাজ্যত বৰ্তমান মীন বিভাগৰ তলত উল্লেখিত বিভিন্ন পদৰ মুঠ সংখ্যা, মুঠ কৰ্মৰত বিষয়াৰ সংখ্যা আৰু মুঠ খালী পদৰ বিষয়ে জনাবনে? (১) যুটীয়া মীন সঞ্চালক (২) উপ-মীন সঞ্চালক (৩) জিলা মীন উন্নয়ন বিষয়া (৪) মহকুমা মীন উন্নয়ন বিষয়া (৫) মীন উন্নয়ন বিষয়া।

(ঙ) খালী হোৱা পদবোৰ পূৰণৰ ব্যৱস্থা কেতিয়া আৰু কিধৰণে চৰকাৰে পূৰণ কৰিব, জনাবনে?

*Sub. :* **Repairing of Roads and Renaming of Divisions.**

Shri SHILADITYA DEV :

220. Will the Minister of PWD be pleased to state :

(a) How many estimates have been sanctioned for repairing & maintenance of damaged PWD Roads under Hojai LAC during 2015-16 & 2016-2017 ?

(Please submit a statement mentioning name of roads taken up for repairing and maintenance, sanctioned cost, name of contractors, tender value, physical and financial progress, date of commencement and date of completion etc.)

(b) Whether the Government in PWD (Roads) has received proposal of demand of fund against the executed volume of work ? If yes, when ?

(c) Whether any payment has been made in proportionate with the physical work done ? If not, what are the reasons for making delay in release of fund time to time ?

(d) Whether the Government will rename work less Umrangsho PWRD NEC Division & Hailakandi PWRD NEC Division and to relocate the same as Rural Road Division one at Hojai and another at Ramkrishna Nagar respectively ?

*বিষয় ঃ* **গড়কাপ্তানি পথ নিৰ্মাণ**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

২২১। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ জ্ঞাতনে, গোৱালপাৰাৰ পঞ্চৰত্ন নৰনাৰায়ন সেতুৰ পৰা গোৱালপাৰা চহৰ আৰু মাটিয়াক সংযোগ কৰি দুধনৈলৈকে নিৰ্মীয়মান SH/46/PWD পথৰ কাম সম্পূৰ্ণ কৰাৰ বাবে সময় ৩১-৫-২০১৬ বুলি পৱিত্ৰ সদনত জনোৱা হৈছিল যদিও কাম এতিয়াও অসম্পূৰ্ণ হৈ আছে?

(খ) যদি জ্ঞাত, নিৰ্মাণ কাৰ্য্য বন্ধ হৈ থকাৰ কাৰণ কি ?

(গ) উক্ত পথ নিৰ্মাণৰ বাবে নতুনকৈ কোনো নিবিদা আহ্বান কৰা হৈছে নেকি ?

(ঘ) যদি দিয়া হৈছে, কোনটো প্ৰতিষ্ঠানক দিয়া হৈছে ?

(ঙ) কাম কেতিয়া আৰম্ভ হ'ব আৰু কেতিয়া শেষ হ'ব ?

(কামৰ work order সহ সম্পূৰ্ণ তথ্য দি জনাব)

*বিষয় ঃ* **ছয়গাঁও গৰৈমাৰি কালাতলী গড়কাপ্তানি পথৰ মেৰামতি।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

২২২। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ছয়গাঁও গৰৈমাৰি (ভায়া-গুসী) প্ৰায় ৩২ কিঃ মিঃ পথটো ছয়গাঁও, বকো আৰু চেঙা বিধান সভা সমষ্টিৰ ৰাইজৰ অতি প্ৰয়োজনীয় তথা ব্যস্ত পথ। পথটি ঠেক হোৱা বাবে যাতায়তৰ বাবে বহুত অসুবিধা হোৱাৰ লগতে দূৰ্ঘটনা হোৱা দেখা যায়। গতিকে পথটি দুয়োকাষে বহল কৰাৰ কাৰণে ব্যৱস্থা কৰিবনে জনাব ?

(খ) পথটো মেৰামতি/পুণৰ নিৰ্মাণ কৰা হয় যদিও অংশ বিশেষে ভঙা / গাঁত হোৱা দেখা যায়। ইয়াৰ অন্যতম কাৰণ হ'ল বৈধ অবৈধভাৱে অহৰহ চলাচল কৰা পথৰ ক্ষমতাতকৈ অতি বেছি পৰিমাণে বালি কঢ়িওৱা ট্ৰাক। গতিকে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব জনাবনে ?

*বিষয় ঃ* **পথ মেৰামতি**

শ্ৰীমাজেন্দ্ৰ নাৰ্জাৰী ঃ

২২৩। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ সদৰ ধুবুৰীলৈ যোৱা একমাত্ৰ গুৰুত্বপূৰ্ণ গড়কাপ্তানি পথ হাতীধুৰাৰ পৰা বালাজান ২৭ কিঃ মিঃ দৈৰ্ঘ্যৰ গড়কাপ্তানি পথছোৱা (D.K. Road) আজি এবছৰতকৈয়ো অধিককাল মেৰামতিৰ অভাৱত যাতায়ত বন্ধ হৈ থকা বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত, ৰাইজৰ সুবিধাৰ্থে উক্ত পথ তৎকালে মেৰামতিৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰবিনে ?

(গ) উক্ত পথছোৱাত জৰীপ হৈ থকা ১২৭B ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণ কাৰ্য্য কেতিয়া আৰম্ভ হোৱাৰ সম্ভাৱনা আছে ?

*বিষয় ঃ* **আবকাৰী বিভাগে অৰুণাচলৰ পৰা চোৰাংকৈ অহা মদৰ ওপৰত লোৱা ব্যৱস্থা।**

ডাঃ নোমল মমিন ঃ

২২৪। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অৰুণাচলৰ পৰা অবৈধভাৱে চলি থকা মদৰ ব্যৱসায়ৰ বিষয়ে চৰকাৰ জ্ঞাতনে ?

(খ) যদি জ্ঞাত, তেন্তে ইয়াৰ প্ৰতিকাৰৰ বাবে কি কি বিহীত ব্যৱস্থা হাতত হৈছে?

*বিষয় ঃ* **চাৰিলেন যুক্ত পথ নিৰ্মাণ**

শ্ৰীপ্ৰদীপ হাজৰীকা ঃ

২২৫। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাৰিলেনযুক্ত পথ নিৰ্মাণ আঁচনিখন অসমত পোনপ্ৰথমে কোন বৰ্ষত প্ৰৱৰ্তন কৰা হৈছিল ?

(খ) অসমত চাৰিলেন যুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ হেতু প্ৰথম অৱস্থাত কোনকেইটা পথ বাছনি কৰা হৈছে বা হৈছিল ?

(গ) উক্ত আঁচনি অনুযায়ী পথ নিৰ্মাণ কৰা হৈছেনে ?

(ঘ) চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত কেনেধৰণৰ নিৰ্মাণ কাৰ্য্য আইনমতে গ্ৰহণযোগ্য হ'ব অথবা আইন বিৰোধী হ'ব ? এইবিষয়ৰ ওপৰত ৰাজ্য চৰকাৰে কেনেধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে, সদনৰ মজিয়াত তথ্য দাখিল কৰিব ?

(ঙ) চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় পথত অব্যাহত থকা যেনে— পোহনীয়া জীৱ-জন্তু বান্ধি ৰখা, মেলি দিয়া, ফচল শুকুউৱা, যান-বাহন ধোৱা আদি কাৰ্য্যবিলাক বন্ধ ৰাখিবলৈ চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

(চ) যান-বাহনবিলাক যাতে দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰে তাৰ বাবে প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে আইন প্ৰণয়নৰ জৰিয়তে ইয়াৰ ব্যৱস্থা কৰিবনে ?

(ছ) চাৰিলেনযুক্ত পথসমূহৰ সৌন্দৰ্য্যবৰ্দ্ধনৰ বাবে উক্ত পথ সমূহৰ Divider সহিতে মাজৰ অংশত বৃক্ষৰোপণ তথা চাফ-চিকুণতাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা লবনে ?

*বিষয় ঃ* **বৰাক নদীৰ ওপৰত থকা দলং**

শ্ৰীআমিনুল হক লস্কৰ ঃ

২২৬। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰাক নদীৰ ওপৰত কেইখন দলং আছে আৰু এই দলংবোৰ কেতিয়া নিৰ্মাণ কৰা হৈছিল ?

(খ) বৰাক নদীৰ ওপৰত নিৰ্মীয়মান অৱস্থাত কেইখন দলং আছে আৰু এইবোৰৰ বৰ্তমান কামৰ অগ্ৰগতি কি পৰ্য্যায়ত আছে?

(গ) বৰাক নদীৰ ওপৰত নতুন দলং নিৰ্মাণৰ পৰিকল্পনা আছে নেকি? যদি আছে, সেই দলং সমূহ কোন ঠাইত নিৰ্মাণ হ'ব ?

*বিষয় ঃ* **কুৰুৱা নাৰেঙ্গী সংযোগী দলং**

শ্ৰীবিনন্দ কুমাৰ শইকীয়া ঃ

২২৭। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ব্ৰহ্মপুত্ৰৰ ওপৰত প্ৰস্তাৱিত কুৰুৱা-নাৰেংগী সংযোগী দলং নিৰ্মাণৰ কাম বৰ্তমান কি পৰ্যায়ত আছে ?

(খ) ইয়াৰ বাবে প্ৰয়োজন হোৱা Feasibility Study Report অধ্যয়ন কৰা হ'ল নেকি ?

(গ) দলং খনৰ DPR প্ৰস্তুত কৰা হ'ল নেকি ? যদি হৈছে, কেতিয়ালৈ ইয়াৰ কাম আৰম্ভ কৰা হ'ব ?

*বিষয় ঃ* **ফিচাৰী সন্দৰ্ভত**

শ্ৰীযোগেন মহন ঃ

২২৮। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

১০৫ নং মাহমৰা বিধান সভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন পঞ্চায়তৰ অধীনত বহুতো বুৰঞ্জী প্ৰসিদ্ধ ফিচাৰী থকাটো চৰকাৰ অৱগতনে ? উক্ত ফিচাৰী বিলাকত মাছ পোহাৰ ব্যৱস্থা কৰি স্থানীয় ৰাইজৰ স্বাৱলম্বী হোৱাকৈ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

*বিষয় ঃ* **বাইহাটা চাৰিআলি-গোৰেশ্বৰ পথৰ কাম**

শ্ৰীসত্যব্ৰত কলিতা ঃ

২২৯। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বাইহাটা চাৰিআলি-গোৰেশ্বৰ গড়কাপ্তানী পথটো মেৰামতিৰ বাবে কাম আৰম্ভ আৰু শেষ কৰাৰ কাৰণে সময়সীমা নিৰ্দ্ধাৰণ কৰি দিছে নেকি ?

(খ) যদি দিছে, কিমান তাৰিখে কাম আৰম্ভ কৰিছে আৰু কিমান তাৰিখে শেষ হ'ব ?

(গ) পথটোৰ কাম প্ৰাক্কলন মতে নোহোৱা আৰু অতি লেহেমীয়া গতিৰে চলা ৰাইজৰ অভিযোগ চৰকাৰে কিবা ব্যৱস্থা লৈছে নে?

(ঘ) যদি লৈছে, কি ব্যৱস্থা লৈছে ?

(সবিশেষ জনাব)

*বিষয় ঃ* **আঁচনি সন্দৰ্ভত**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২৩০। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬-১৭ আৰু ২০১৭-১৮ বিত্তীয় বৰ্ষত এই বিভাগৰ জৰিয়তে কি কি আঁচনি ৰূপায়ণ কৰা হৈছে ?

(বিতং তথ্য দিব)

(খ) ৰূপায়ণ কৰা আঁচনিৰ জৰিয়তে সৰুক্ষেত্ৰী সমষ্টিৰ কিমানজন হিতাধিকাৰী উপকৃত হ'ল ?

(তালিকা দিব)

(গ) নতুনকৈ কি কি আঁচনি হাতত লোৱা হৈছে ?

*Sub.* : **Construction of Road**

Shri ABDUR RAHIM AJMAL :

231. Will the Minister of P. W. D. be pleased to state :

(a) Why has the Nilbagan to Debosthan PWD road & sarupathar to Jamunamukh Revenue Town under Jamunamukh LAC not been completed till date?

(Please furnish the details about the progress of the work)

(b) How many roads were constructed and how many roads are still under construction under the PMGSY scheme in the financial year of 2013-2014, 2014-2015 & 2016-2017 in Jamunamukh LAC?

(Please furnish in details about the progerss of work)

*বিষয় ঃ* **পুখুৰীৰ ক্ষয়-ক্ষতি**

শ্ৰীমামুন ইমদাদুল হক চৌধুৰী ঃ

২৩২। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এই বছৰত বানপানীত নাওবৈছা বিধান সভা সমষ্টিত মুঠ কিমান বিঘা পুখুৰীৰ ক্ষয়-ক্ষতি হৈছে?

(গাঁও ভিত্তিক তথ্য দিব)

(খ) উক্ত বানপানীত নাওবৈছা বিধান সভা সমষ্টিত আনুমাণিক কিমান কুইণ্টল মাছ উটি গৈছে?

(গ) উক্ত উটি যোৱা মাছ আৰু ক্ষতি হোৱা পুখুৰীৰ বাবে চৰকাৰে কিবা ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা হাতত লৈছে নে? যদি লৈছে সবিশেষ জনাব?

*বিষয় ঃ* **জলসিঞ্চন আঁচনি**

শ্ৰীফনী ভূষন চৌধুৰী ঃ

২৩৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত বৰ্তমান কিমানটা বৃহৎ জলসিঞ্চন আঁচনি আছে? ইয়াৰে কিমানটা সম্পূৰ্ণৰূপে কাৰ্য্যক্ষম, কিমানটা আংশিকভাৱে কাৰ্য্যক্ষম আৰু কিমানটা বিকল?

(বিস্তৃত তথ্য দাখিল কৰিব)

(খ) ৰাজ্যত কিমানটা বৃহৎ জলসিঞ্চন আঁচনি নিৰ্মীয়মান অৱস্থাত আছে? এই আঁচনিবোৰৰ নাম, ঠিকনা আঁচনিৰ আৰম্ভণিৰ অনুমোদিত ধন, বৰ্তমানৰ অনুমোদিত ধন আৰু কোন ঠিকাদাৰে এই আঁচনিৰ কামবোৰ কৰি আছে?

(গ) এই আঁচনিবোৰৰ বিপৰীতে বিভাগে কেতিয়া ৱৰ্ক অৰ্ডাৰ দিছিল? ৱৰ্ক অৰ্ডাৰৰ প্ৰতিলিপি দাখিল কৰিব?

(ঘ) ৱৰ্ক অৰ্ডাৰমতে এই কামবোৰ কেতিয়া শেষ হ'ব লাগিছিল? এই কামবোৰ কেতিয়ালৈ সম্পূৰ্ণ কৰাৰ লক্ষ্য কৰা হৈছে? বৰ্তমান এই আঁচনিবোৰৰ কিমান শতাংশ কাম সম্পূৰ্ণ হৈছে আৰু ঠিকাদাৰ সকলক প্ৰতিটো আঁচনিৰ বিপৰীতে কিমান ধন মোকলাই দিয়া হৈছে?

(ঙ) ৰাজ্যত বৰ্তমান কিমান সৰু বৰ জলসিঞ্চন আঁচনি আছে? ইয়াৰে কিমানটা সম্পূৰ্ণৰূপে কাৰ্য্যক্ষম, কিমানটা আংশিকভাৱে কাৰ্য্যক্ষম আৰু কিমানটা আঁচনি সম্পূৰ্ণৰূপে বিকল হৈ আছে? বিস্তৃত তথ্য দাখিল কৰাৰ লগতে সম্পূৰ্ণ কাৰ্য্যক্ষম আঁচনি, আংশিক কাৰ্য্যক্ষম আঁচনি আৰু বিকল আঁচনিৰ নামবোৰ সুকিয়াকৈ দাখিল কৰিব?

*বিষয় ঃ* **বানপানীত ক্ষতিগ্ৰস্ত পথৰ মেৰামতি**

শ্ৰীমতী নন্দিতা দাস ঃ

২৩৪। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অলপতে হৈ যোৱা প্ৰৱল বানপানীৰ ফলত কামৰূপ জিলাৰ ছমৰীয়া ৰাজহ আৰু নগৰবেৰা ৰাজহ চক্ৰৰ অধীনত কিমানটা ৰাজ্যিক পথৰ ক্ষতিসাধন হ'ল?

(খ) ক্ষতিগ্ৰস্ত পথ সমূহ মেৰামতি তথা সুদৃঢ় কৰণৰ বাবে চৰকাৰে কিবা ফলপ্ৰসূ তথা তাৎক্ষনিক ব্যৱস্থা গ্ৰহণ কৰিছেনে?

(গ) যদি কৰিছে, তেন্তে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(বিতংভাৱে জনাব)

(ঘ) বানপানীত ক্ষতিগ্ৰস্ত হোৱা কাঠৰ দলং কেইখনৰ বাবে জনসাধাৰণৰ যাতায়তৰ ক্ষেত্ৰত যে যথেষ্ট অসুবিধা হৈছে সেয়া চৰকাৰৰ দৃষ্টি গোচৰ হৈছেনে?

(ঙ) যদি হৈছে, সেয়া নিৰাময়ৰ বাবে তাৎক্ষনিকভাৱে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **জলসিঞ্চন আঁচনিৰ সংখ্যা**

মোঃ নুৰুল হুদা ঃ

২৩৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমানটা ক্ষুদ্ৰ, মজলীয়া আৰু বৃহৎ জলসিঞ্চন আঁচনি আছে? উক্ত আঁচনিসমূহৰ কিমানটা সক্ৰিয়, কিমানটা ৰুগ্ন আৰু কিমানটা মৃত অৱস্থাত আছে? উক্ত আঁচনিসমূহে সামৰি লোৱা মুঠ কৃষি ভূমিৰ পৰিমাণ কিমান?

(আঁচনি ভিত্তিক বিস্তৃত তথ্য দাখিল কৰিব)

(খ) অসমত সক্ৰিয় অৱস্থাত থকা জলসিঞ্চন আঁচনিসমূহে ৰাজ্যৰ মুঠ কিমান শতাংশ কৃষিভূমি সামৰি লৈছে? বাকী কৃষিভূমিত জলসিঞ্চন আঁচনিৰে সামৰি লোৱাৰ ক্ষেত্ৰত কি কি পদক্ষেপ গ্ৰহণ কৰিছেনে?

(গ) ৰাজ্যত নতুনকৈ জলসিঞ্চন আঁচনি গ্ৰহণৰ কোনো পদক্ষেপ বৰ্তমান চৰকাৰে গ্ৰহণ কৰিছেনে?

(ঘ) যদি কৰিছে, ৰাজ্যৰ কোন কোন ঠাইত বৃহৎ আৰু মজলীয়া জলসিঞ্চন আঁচনি গ্ৰহণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে?

(উত্তৰ বিস্তৃত তথ্য সহ দাখিল কৰিব)

(ঙ) কৃষি উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখনৰ ভিতৰতে সুনাম থকা ৰূপহীহাট সমষ্টিত জলসিঞ্চন আঁচনিৰ অভাৱৰ বিষয়ে ৰাজ্য চৰকাৰ অৱগতনে?

(চ) যদি অৱগত, এই অভাৱ দূৰ কৰাৰ কোনো পদক্ষেপ অগ্ৰাধিকাৰৰ ভিত্তিত গ্ৰহণ কৰা হ'বনে?

*বিষয় ঃ* **Weavers Credit Card (WCC) সম্পৰ্কে।**

শ্ৰীঅশ্বিনী ৰায় সৰকাৰ ঃ

২৩৬। মাননীয় হস্ততাঁতবস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সৰ্বমুঠ কিমানগৰাকী বোৱনীক WCC ঋণৰ যোগান ধৰা হৈছে?

(খ) কোন জিলাত কিমান হিতাধিকাৰীয়ে WCC ৰ সুবিধা লাভ কৰিছে?

(গ) ধুবুৰী জিলাৰ অধীনত কোন বিধান সভা সমষ্টিত কিমানজনে এই WCC ঋণৰ সুবিধা লাভ কৰিছে?

*বিষয় ঃ* **ৰাজহ সংগ্ৰহ**

শ্ৰীআমিনুল ইছলাম ঃ

২৩৭। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৫-১৬ আৰু ২০১৬-১৭ বৰ্ষত সৰ্বমুঠ ৰাজহ সংগ্ৰহ কিমান আছিল? কোন কোন উৎসৰ পৰা সৰ্বাধিক ৰাজহ সংগ্ৰহ হৈছিল?

(খ) চলিত বিত্তীয় বৰ্ষত (৩১ আগষ্ট, ২০১৭ লৈকে) সৰ্বমুঠ সংগৃহীত ৰাজহৰ পৰিমান কিমান? বছৰটোৰ শেষলৈকে কিমান ৰাজহ সংগ্ৰহ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে?

(উৎসসমূহ উল্লেখ কৰিব)

*বিষয় ঃ* **পথ নিৰ্মাণ আৰু মেৰামতি**

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ

২৩৮। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বড়মপুৰ বিধান সভাৰ সমষ্টিৰ তলত উল্লেখ কৰা জৰাজীৰ্ণ পথসমূহৰ পুনৰ নিৰ্মাণ/মেৰামতিৰ কাম কেতিয়াকৈ আৰম্ভ কৰিব আৰু শেষ কেতিয়া কৰিব?

(খ) ৩৭ নং ৰাষ্ট্ৰীয় পথৰ পুৰণি গুদাম (গড়মুৰৰ তিনি আলিৰ পৰা চাপানলা জলপ্ৰপাতলৈ যোৱা পথ)।

(গ) ৩৭ নং ৰাষ্ট্ৰীয় পথৰ (গামোঠা গাঁৱৰ পৰা) '৪২ ৰ স্বাধীনতা আন্দোলনে গৰকা বড়মপুৰ বামুনী পথ।

(ঘ) ৰাষ্টীয় পথৰ পৰা কঠিয়াতলী কন্দলী বামুনী চাপানলা হৈ আমলখী পথ।

(ঙ) কামপুৰ বৈঠালাংচু (NEC) পথৰ পৰা কপিলী দলং পাৰ হৈ দেৱ নাৰিকলী যোগাচুতীয়া গাঁও হৈ ৰাম মন্দিৰলৈ।

(চ) কপিলী দলঙৰ পৰা ভকত গাঁও চাংচকী পথ।

(ছ) নৈনে কুমাৰ গাঁও পোটনী হৈ উৰিয়া গাঁও বাইপাছ লৈ (৩৭ নং পথ)।

(জ) ৩৭ নং ৰাষ্ট্ৰীয় পথৰ উৰিয়া গাঁৱৰ পৰা (বাইপাছ) কৰৈয়নী বামুনগাঁও নগাঁও ৰূপহী পথলৈ।

(ঝ) ডিমৰুগুৰি মাহৰোলৰ পৰা শিয়ালে খোৱা পথ।

(ঞ) নগাঁও ছোট হয়বৰ দেওধৰ পথ।

(ট) কামপুৰৰ আতিকামপুৰ পাৰুলী গুৰি পথ।

(ঠ) দগাঁও দিঘলী পথ।

*বিষয় ঃ* **গড়কাপ্তানি পথৰ উন্নয়নৰ বাবে আঁচনি সম্পৰ্কত।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ

২৩৯। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১-১২ চনৰ পৰা ২০১৬-১৭ চনলৈ পশ্চিম গুৱাহাটী সমষ্টিত গড়কাপ্তানি বিভাগৰ পৰা কিমান পথৰ উন্নয়নৰ বাবে কিমান পুঁজি ধাৰ্য কৰা হৈছিল?

(বিস্তৃতভাৱে সদনৰ মজিয়াত নাম আৰু পুঁজি উল্লেখ কৰি দাখিল কৰিব)

(খ) উক্ত পথৰ কামসমূহ সম্পূৰ্ণ হ'ল নে?

(গ) ২০১১ চনত পৰা ২০১৬-১৭ চনলৈ PMGSY ৰ জৰিয়তে কিমানটা পথৰ উন্নয়নৰ বাবে কিমান পুঁজিৰ আবণ্টন দিছিল?

(পথৰ নাম উল্লেখ কৰি পুঁজিৰ পৰিমান সদনৰ মজিয়াত দাখিল কৰিব)

(ঘ) ২০১৬-১৭ আৰু ২০১৭-২০১৮ চনত PMGSY ত কিমানটা পথৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে পুঁজি মোকোলাই দিলে আৰু বৰ্তমান কি অৱস্থাত আছে, জনাবনে?

*বিষয় ঃ* **প্ৰধান মন্ত্ৰীৰ গ্ৰাম্য পকী পথ আঁচনি**

শ্ৰীআব্দুল খালেক ঃ

২৪০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ মন্দিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত কান্দা পথৰ পৰা গুৱালা গোবিন্দপুৰলৈকে পথছোৱাৰ কাম প্ৰধান মন্ত্ৰীৰ গ্ৰাম্য পকী পথ আঁচনিৰ অধীনত হোৱাৰ কথাটো সঁচানে?

(খ) যদি সঁচা, উল্লেখিত পথ পকী নোহোৱাৰ কাৰণ কি?

(গ) অনুৰূপ ধৰণে একে জিলাৰ ৰূপসী উন্নয়ন খণ্ডৰ অধীনস্থ বৰভিঠা-বৰতাৰী (আপৰূপী হৈ) পথছোৱা আৰু ইছবপুৰ কান্দুলীয়া পথছোৱাৰ কামো প্ৰধান গ্ৰাম্য পকী পথ আঁচনিৰ অধীনত হোৱাৰ কথাটো সঁচানে?

(ঘ) যদি সঁচা, উল্লেখিত দুয়োটা পথ পকী নোহোৱাৰ কাৰণ কি?

(ঙ) উল্লেখিত আটাইকেইটি পথ প্ৰধান মন্ত্ৰীৰ গ্ৰাম্য পকী পথ আঁচনিৰ নিয়ম অনুসৰি পাঁচ বছৰত কেইবাৰ মেৰামতি কৰা হ'ল আৰু তাৰ কাৰণে কিমান টকা খৰচ হ'ল? কোন চনত সেই মেৰামতিৰ কাম হৈছে?

*বিষয় ঃ* **জলসিঞ্চন বিভাগৰ আঁচনি সম্পৰ্কে**

শ্ৰীআবুল কালাম আজাদ ঃ

২৪১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰে যোৱা দুটা বিত্তীয় বৰ্ষত ভৱানীপুৰ সমষ্টিত কি কি আঁচনি ৰূপায়ণ কৰিছে?

(বৰ্ষ অনুযায়ী ইয়াৰ তালিকা সদনত দাখিল কৰিব)

(খ) পহুমৰা সংমণ্ডলত কিমানটা জলসিঞ্চন প্ৰকল্প আছে? ইয়াৰে কোন প্ৰকল্পৰ পৰা কৃষকে পানী পাই আছে?

(প্ৰকল্পৰ নাম, স্থান আদিৰ তালিকা সদনত দাখিল কৰিব)

(গ) ভৱানীপুৰ সমষ্টিৰ কোন কোন আঁচনিৰ কাম বন্ধ হৈ আছে আৰু এই আঁচনিবোৰ কেতিয়া কাৰ্য্যক্ষম হ'ব জনাবনে?

*বিষয় ঃ* **শিংমাৰী হাবি গাঁৱৰ জলসিঞ্চন প্ৰকল্প মুকলি।**

শ্ৰীমৃনাল শইকীয়া ঃ

২৪২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৪৯ নং ছয়গাঁও সমষ্টিৰ গৰৈমাৰী উন্নয়ন খণ্ডৰ ১২ নং মাজৰটোপ গাঁও পঞ্চায়তৰ শিংমাৰী হাবি গাঁৱত ১৯৭৭ চনতে স্থাপিত জলসিঞ্চন প্ৰকল্পটো আজি পৰ্য্যন্ত অচল হৈ থকাৰ কাৰণ জনাবনে?

(খ) এনেদৰে অসমৰ বিভিন্ন ঠাইত কি কি কাৰণত কিমান জলসিঞ্চন প্ৰকল্প অচল হৈ আছে?

(গ) সেইবোৰক গতিশীল কৰাত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*বিষয় ঃ* **আঁচনি ৰূপায়ণ সম্পৰ্কত**

শ্ৰীমহেশ্বৰ বড়ো ঃ

২৪৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলসিঞ্চন বিভাগৰ মঙ্গলদৈ সংমণ্ডলৰ অধীনত বৰ্তমানে ৰূপায়ণ হৈ থকা নিম্নোক্ত আঁচনি সমূহ—

(ক) চন্দ্ৰমল দত্ত জলসিঞ্চন আঁচনি
(খ) নিজডলা জলসিঞ্চন আঁচনি
(গ) বেগানদী জলসিঞ্চন আঁচনি
(ঘ) আমৰা কোনা জলসিঞ্চন আঁচনি
(ঙ) ভোলানাথ বান্ধ জলসিঞ্চন আঁচনি

(খ) আঁচনিসমূহৰ মুখ্য কামসমূহ কোন কোন ঠিকাদাৰক আবণ্টন দিয়া হৈছিল?

(গ) বৰ্তমানলৈ কোনটো আঁচনিত কিমান পৰিমাণৰ ধন ঠিকাদাৰক মোকলাই দিয়া হ'ল আৰু কাম সমূহৰ বৰ্তমানলৈ অগ্ৰগতিৰ খতিয়ান কিমান?

(ঘ) ইতিমধ্যে ৰূপায়িত হোৱা কামৰ মানদণ্ড সম্পৰ্কত বিভাগীয় প্ৰতিবেদন জনাবনে?

*বিষয় ঃ* **ৰাষ্ট্ৰীয় ঘাইপথ কদৰ্য্যময় সন্দৰ্ভত**

শ্ৰীদূৰ্গা ভূমিজ ঃ

২৪৪। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডুমডুমা ডনবস্কৰ পৰা ৰূপাই চাইডিঙলৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়ো কাষে নলা নৰ্দমা নোহোৱাৰ ফলত পানী জমা হয় আৰু মেটেকাৰে পৰিপূৰ্ণ হোৱাত পৰিবেশ অতিশয় কদৰ্য্যময় হৈছে, যাৰ ফলত ডনবস্ক' স্কুল, লাৰ্নাছ স্কুল, ডুমডুমা কলেজৰ লগতে কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে স্কুল কলেজলৈ খোজ কাঢ়ি যোৱাটো অসম্ভৱ হৈ পৰা কথাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, নিৰাময়ৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিবনে?

(গ) ইয়াৰ উপৰিও ৰূপাই চাইডিং D. C. Bora Nursing Home ৰ ওচৰত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত থকা কালভাৰ্ট বন্ধ হৈ থকাত পানী বৈ যাব নোৱাৰাৰ বাবে দুয়োপাৰে পানী জমা হৈ ৰাইজৰ অসুবিধাৰ সৃষ্টি কৰা কথাটো চৰকাৰ অৱগতনে?

(ঘ) ইয়াৰ নিৰাময়ৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে?

(যদি কৰে, তেন্তে কেতিয়া কৰিব সদনৰ মেজত দাখিল কৰিব)

*Sub. :* **Superintendent of Handloom & Textile Office.**

Shri KRIPANATH MALLAH :

245. Will the Minister of Handloom & Textile be pleased to state :

(a) What action has been taken on the letter U.O. No. CMO.4/2017/2432, dated 13-04-2017 of the Secretary to the Govt. of Assam, Chief Minister's Secretariat addressed to the Commissioner & Secretary, Handloom, Textile & Sericulture Department, Assam, enclosing the letter of the MLA, Ratabari LAC bearing No.KNM/RTB/DEV/2016-17/67, dated 30/03/2017 regarding setting up of an office of the Superintendent of Handloom Textile at Ram Krishna Nagar in the district of Karimganj ?

(Please enclose communication received from the C.M's Sectt.)

(b) Whether District officer, Handloom & Textile, Karimganj/Directorate of Handloom & Textile has been asked to submit formal proposal in this regard ?

(If yes, place copy of such communication)

(c) Whether the Govt. in Handloom & Textile Department has already received formal proposal from the District & Directorate level ? If yes, what is the present status of the matter ?

*বিষয় ঃ* **PMGSY**

শ্রীসুজাম উদ্দিন লস্কর ঃ

২৪৬। মাননীয় গড়কাপ্তানি বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) ৭নং কাটলিচেড়া বিধান সভা সমষ্টিতে PMGSY অধীনে সর্বমোট ১১ টি রাস্তার কাজ অর্ধ সমাপ্ত অৱস্থায় থাকা কথা গত বাজেট Session এ ৩/২/২০১৭ তারিখে লিখিত প্রশ্নের উত্তরে ২০১৭ ইং ৩১ মার্চের মধ্যে সম্পূর্ণ করার কথা বলা হয়েছিল কিন্তু বর্তমান অৱস্থায় এই গুলিড় রাস্তার অবস্থা কি রকম আছে?

(সরকারে নিকট তথ্য সহ তালিকা প্রদান কৰিবেন)

(খ) Dholai Molai Pt ix (Block Boundary to 05 T2) package No. As-0916) 27.20 Km. এ রাস্তার বরাত প্রাপ্ত ঠিকাদার ৩/২/২০১৭ ইংৰেজীর বাজেট অধিবেশনের পরেও আজ অবাধি কোন রাস্তার কাজেয় প্রদক্ষেপ না নেওয়া কারনে সরকারও কাছে কোন তথ্য আছে কি?

(গ) 05 T to Damcherra F.V (Tamira to Damcherra) Package no. As-0930. 7.50 K.M এই রাস্তার কাজ না করার কারণ কি?

(ঘ) অর্ধনির্মিত রাস্তার কাজ কবে বা কখন সম্পূর্ণ করা হবে?

*বিষয় ঃ* **সমবায় সমিতি কার্য্যক্ষম**

শ্রীচক্রধৰ গগৈ ঃ

২৪৭। মাননীয় বস্ত্র আৰু ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডিব্রুগড় জিলাত বর্তমান কিমানখন বয়ন সমবায় সমিতি চৰকাৰী পঞ্জীয়নভুক্ত হৈ আছে?

(খ) ইয়াৰে কিমানখন সমবায় সমিতি বৰ্তমান কাৰ্য্যক্ষম হৈ আছে তালিকা সহ জনাব?

(গ) অকাৰ্য্যক্ষম সমবায় সমিতিসমূহ কাৰ্য্যক্ষম কৰাৰ কিবা আঁচনি চৰকাৰে গ্ৰহণ কৰিছেনে?

(ঘ) যদি কৰিছে, কেনেধৰণৰ আঁচনি গ্ৰহণ কৰিছে বহলাই জনাব?

*বিষয় ঃ* **পৰিদৰ্শন বঙলা**

শ্ৰীৰূপক শৰ্মা ঃ

২৪৮। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও গড়কাপ্তানি বিভাগৰ পৰিদৰ্শন বঙলাটো বহুদিনৰ পৰা কেন্দ্ৰীয় সংৰক্ষিত বাহিনী (CRPF) ৰ অধীনত আছে বুলি জ্ঞাতনে?

(খ) যদি জ্ঞাত, তেনেহ'লে উক্ত পৰিদৰ্শন বঙলাটো পুনৰ গড়কাপ্তানি বিভাগৰ হাতলৈ ঘূৰাই অনাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) যদি কৰা নাই, তেনেহলে নগাঁৱত গড়কাপ্তানি বিভাগৰ বাবে নতুনকৈ পৰিদৰ্শন বঙলা নিৰ্মাণ কৰা আঁচনিৰ কথা চৰকাৰে বিবেচনা কৰিব নেকি?

*বিষয় ঃ* **NABARD ৰ Scheme**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

২৪৯। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বাবে ২০১৬-১৭ আৰু ২০১৭-১৮ চনৰ NABARD ৰ RIDF-XXII ৰ কিমান Scheme sanction দিয়া হৈছে?

(খ) Scheme ৰ নামৰ সৈতে কিমান Amount sanction দিয়া হৈছে?

(তথ্য সদনত দাখিল কৰিব)

*বিষয় ঃ* **RIDF আঁচনিত অনুমোদন**

শ্ৰীমতী অজন্তা নেওগ ঃ

২৫০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) RIDF আঁচনিৰ অধীনত ২০১৬-১৭ বৰ্ষ আৰু ২০১৭-১৮ বৰ্ষত কিমানটা প্ৰকল্প অনুমোদন হৈছে?

(অনুমোদনৰ কপি সদনত দাখিল কৰিব)

(খ) এই প্ৰকল্পসমূহৰ কাম-কাজ বৰ্তমান কি অৱস্থাত আছে?

(গ) ৰাজ্যখনৰ যোগাযোগ ব্যৱস্থাৰ দুৰৱস্থালৈ চাই এই আঁচনিসমূহ সোনকালে ৰূপায়ণ কৰাৰ ব্যৱস্থা কৰিবনে?

Assam Government press 329/17-LAQ-750-05-09-2017